# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৪৮/২০২২**

## বন্য জীৱ পৰিষদৰে মুখ্যমন্ত্ৰীৰ বৈঠক

**দিছপুৰ, ২২ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বন আৰু বন্য জীৱৰ সুৰক্ষাৰ উদ্দেশ্যৰে আজি জনতাভৱনৰ সভাকক্ষত বন্য জীৱ পৰিষদৰ সৈতে এক বৈঠকত মিলিত হয়।

প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ অসমৰ পৰ্যটন ক্ষেত্ৰখনক বিকশাই তোলাৰ লগতে হাতী-মানুহৰ সংঘাত দূৰীকৰণ, অসম ৰাজ্যিক চিৰিয়াখানাৰ আধুনিকীকৰণ, শগুণ-হলৌবান্দৰ আদি দুষ্প্ৰাপ্য জীৱকে ধৰি গঁড়-বাঘৰ সংৰক্ষণ, বনাঞ্চলৰ সম্প্ৰসাৰণ, বন্যপ্ৰাণীৰ ক'ৰিডৰ আদি বিভিন্ন বিষয়ৰ ওপৰত মুখ্যমন্ত্ৰীয়ে কেতবোৰ গুৰুত্বপূৰ্ণ নীতি-নিৰ্দেশনা আগবঢ়ায়।

আজিৰ এই বৈঠকত পৰিৱেশ আৰু বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, বিধায়কসকল ক্ৰমে দিগন্ত কলিতা, মানৱ ডেকা, ৰেকিবুদ্দিন আহমেদ, বিটিচিৰ মুখ্যকাৰ্যবাহী প্ৰমোদ বড়ো, অসম চৰকাৰৰ বন আৰ পৰিৱেশ বিভাগৰ অতিৰিক্ত মুখ্য সচিব আৰ এছ প্ৰসাদ, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, মুখ্য বন সংৰক্ষক (বনবাহিনী) এম কে যাদৱ, প্ৰমুখ্যে কেইবাজনো উচ্চপদস্থ বিষয়া উপস্থিত থাকে।

হেঃশঃ
**২২/০৮/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in